# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-04-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

১। অহা ১০ বছৰত নতুন অসমৰ নেতৃত্ব ল'ব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলক প্ৰস্তুত কৰি তোলাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত মুখ্যমন্ত্ৰীৰ ড০ হিমন্ত বিশ্ব শৰ্মাৰ আহ্বান।

২। আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত।

৩। সন্ত্ৰাসবাদীৰ আক্ৰমণ সন্দৰ্ভত বিতৰ্কিত মন্তব্য কৰা বিধায়ক আমিনুল ইছলামক ৪ দিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ।

৪। বিশ্ব মেলেৰীয়া দিৱস উপলক্ষে ৰাজ্যৰ ঠায়ে ঠায়ে আজি বিভিন্ন সজাগতামূলক কাৰ্যসূচী পালন।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ, ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ।

000000

অহা ১০ বছৰত নতুন অসমৰ নেতৃত্ব ল'ব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলক প্ৰস্তুত কৰি তুলিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী বিশ্ববিদ্যালয়ক আহ্বান জনাইছে। ঐতিহ্যমণ্ডিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাত্ৰিংশ দীক্ষান্ত সমাৰোহত ভাষণ দি মুখ্যমন্ত্ৰীয়ে এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে কয়, যে আমাৰ যুৱশক্তিয়ে বিকশিত অসমৰ দৃষ্টিভংগীক আগুৱাই লৈ যাব আৰু ইয়াৰ বাবে তেওঁলোকক, নিজৰ হাতত থকা উৎকৃষ্ট সুযোগসমূহৰ সদব্যৱহাৰ কৰা তথা প্ৰয়োজনীয় শিক্ষাৰ বাবে সকলো সা-সুবিধা আগবঢ়োৱা হ'ব।

বাইট

এই সমাৰোহত বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই গুৱাহাটীৰ ডাঃ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ প্ৰাক্তন সঞ্চালক তথা কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ অমল চন্দ্ৰ কটকীক সন্মানীয় ড০ অৱ চায়েন্স ডিগ্ৰী প্ৰদান কৰে। আন এগৰাকী কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ তপন কুমাৰ শইকীয়া আৰু অৰুণাচল প্ৰদেশৰ উপ মুখ্যমন্ত্ৰী চাওনা মেইনক জনজীৱনৰ প্ৰতি আগবঢ়োৱা সেৱাৰ স্বীকৃতিস্বৰূপে সন্মানীয় ডক্টৰেট

ডিগ্ৰী প্ৰদান কৰা হয়। বিশ্ববিদ্যালয়খনৰ ১৪৮ গৰাকীক পি এইচ ডি, ১৪ গৰাকীক এম ফিল, ৩ হেজাৰ ৭৪১ গৰাকীক স্নাতকোত্তৰ আৰু স্নাতক ডিগ্ৰী লাভ কৰা ডিগ্ৰী প্ৰদান কৰা হয়। ৰাজ্যপাল শ্ৰীআচাৰ্যই গুৱাহাটী বিশ্ববিদ্যালয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত লাভ কৰা সফলতাৰ বাবে সকলোকে প্ৰশংসা কৰে।

০০০০

আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিজেপিৰ তাৰকা প্ৰচাৰক তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত  আজি মাজুলীত প্ৰচাৰ অভিযানত অংশ লয়। শ্ৰী সোণোৱালে গ্ৰাম্য অৰ্থনীতিৰ ভেটি সৱলীকৰণৰ লক্ষ্যৰে পঞ্চায়ত নিৰ্বাচনত সঠিক সিদ্ধান্ত ল'বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে জিলা বিজেপিৰ কাৰ্যালয়ত দলীয় কৰ্মীৰ সৈতে এখন বিশেষ সাংগঠনিক সভাত মিলিত হয়।

শ্ৰী সোণোৱালে আজি শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰত আন এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিজেপি মিত্ৰজোঁটৰ দ্বৈত ইঞ্জিন চৰকাৰৰ কল্যাণকামী পদক্ষেপসমূহে সকলো স্তৰৰ জনসাধাৰণৰ উপকৃত কৰি গ্ৰামাঞ্চলত নতুন দিগন্তৰ সূচনা কৰিছে। আৰু আত্মনিৰ্ভৰশীলতাৰ পথ প্ৰশস্ত কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰী সোণোৱালে আজি ডিব্ৰুগড়ৰ গজপুৰিয়াতো নিৰ্বাচনী সভাত ভাগ লয়।

জাগীৰোড বিধানসভা সমষ্টিৰ ২৯ খন পঞ্চায়তৰ বাবে অহা ৭ মে'ত দ্বিতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে জিলা প্ৰশাসন সাজু হৈছে। সমষ্টিটোৰ বিধায়ক তথা মন্ত্ৰী পীযুষ হাজৰিকাই আজি জাগীৰোডত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে।

ইপিনে, পঞ্চায়ত নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি অব্যাহত ৰাখিছে। বজালী জিলা আয়ুক্ত মৃদুল কুমাৰ দাসৰ তত্বাৱধানত নিৰ্বাচনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। জিলাখনত নিয়োজিত নিৰ্বাচনী পৰ্যৱেক্ষকে ইতিমধ্যে ৰাজনৈতিক দলসমূহৰ প্ৰাৰ্থীসকলৰ সৈতে আলোচনা কৰাৰ উপৰি ভোট কেন্দ্ৰসমূহ পৰিদৰ্শন কৰিছে। জিলাখনত ২৯৫ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে ২৭ গৰাকী খণ্ড বিষয়া আৰু ৫ গৰাকী মাণ্ডলিক বিষয়া নিয়োগ কৰা হৈছে। কামৰূপ জিলাৰ ১৮ খন জিলা পৰিষদ, ৯৭ টা আঞ্চলিক পঞ্চায়ত আৰু ৯১০ টা পঞ্চায়ত ৱাৰ্ড সদস্যৰ বাবে এহেজাৰ ৫৯৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে ৮০ টা ভোটকেন্দ্ৰ সম্পূৰ্ণৰূপে মহিলাৰ দ্বাৰা পৰিচালনা কৰা হ'ব। জিলাখনত নিৰ্বাচন পৰিচালনাৰ বাবে প্ৰায় ছহেজাৰ প্ৰিজাইডিং আৰু পোলিং বিষয়াক প্ৰশিক্ষণ দিয়া হৈছে। অসম-মেঘালয় সীমান্তত থক ভোট কেন্দ্ৰকে ধৰি আন আন স্পৰ্শকাতৰ ভোটকেন্দ্ৰসমূহত বিশেষ সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে।

জিলাখনত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰই এইদৰে কয়—

(বাইট ঃ দেৱকুমাৰ মিশ্ৰ)

হোজাই জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে নিয়মীয়াকৈ ভোটকেন্দ্ৰসমূহ পৰিদৰ্শন কৰি নিৰ্বাচনৰ বাবে যাৱতীয় ব্যৱস্থা নিশ্চিত কৰিছে। জিলাখনত স্থাপন কৰা ৭৭৪টা ভোট কেন্দ্ৰৰ ভিতৰত ১০টা মডেল ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালনা কৰা হ'ব বুলি জিলাখনৰ জনসংযোগ বিষয়াই প্ৰকাশ কৰিছে।

০০০০

জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ আক্ৰমণ সন্দৰ্ভত বিতৰ্কিত মন্তব্য কৰা নগাঁৱৰ ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলামক ৪ দিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, বিগত সময়ছোৱাত পুলৱামাত সংঘটিত আক্ৰমণৰ ঘটনা আৰু ২২ এপ্ৰিলত কাশ্মীৰৰ পহলগামত সংঘটিত

ঘটনাৰ আঁৰত চৰকাৰী ষড়যন্ত্ৰ থকা বুলি বিধায়কগৰাকীয়ে কৰা বিতৰ্কিত মন্তব্যৰ বাবে দেশদ্ৰোহিতাৰ গোচৰত কালি নগাঁও আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰিছিল। আজি তেওঁক নগাঁও আদালতত হাজিৰ কৰোৱা হয়। আদালতে বিধায়কগৰাকীৰ বিৰুদ্ধে আৰক্ষীয়ে দাখিল কৰা অভিযোগনামা প্ৰত্যক্ষ কৰে আৰু আৰক্ষীৰ ভাষ্য শুনাৰ পাছত তেওঁ চাৰিদিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰে।

এই সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত বিতৰ্কিত মন্তব্য কৰা আন ৫ জন লোকক অসম আৰক্ষীয়ে আটক কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাত এই লোক কেইজনৰ বিৰুদ্ধে সামাজিক মাধ্যমত পাকিস্তানক প্ৰত্যক্ষ বা পৰোক্ষভাৱে সমৰ্থন আগবঢ়োৱাৰ তথ্য লাভ কৰা হৈছিল বুলি প্ৰকাশ কৰিছে। আৰক্ষীয়ে আটক কৰা লোক কেইজন হৈছে শিৱসাগৰৰ মহম্মদ চাহিল আলী, শিলচৰৰ এ কে বাহাউদ্দিন আৰু জাভেদ মজুমদাৰ, মৰিগাঁৱৰ মুজিহিৰুল ইছলাম আৰু হাইলাকান্দিৰ জাবিৰ হুছেইন।

০০০০

আজি বিশ্ব মেলেৰীয়া দিৱস। দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ স্বাস্থ্য বিভাগৰ উদ্যোগত ঠায়ে ঠায়ে মেলেৰীয়া ৰোগৰ বিৰুদ্ধে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়।

ধেমাজি জিলাত জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু জিলা বাহকজনিত ৰোগ নিয়ন্ত্ৰণ কোষৰ সহযোগত বিস্তৃত কাৰ্যসূচীৰে আজি এই দিৱস পালন কৰা হয়। ধেমাজী লক্ষীপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা সজাগতা সভাত বাহকজনিত ৰোগৰ জিলা নডেল বিষয়া ডাঃ যোগেন দাসে এই ৰোগৰ কাৰণ আৰু ল'বলগীয়া সাৱধানতাৰ বিষয়ে বিতংকৈ অৱগত কৰে। এই দিৱসৰ প্ৰাসংগিকতা আৰু ৰোগৰ সাৱধানতাৰ বিষয়ে জিলা প্ৰচাৰ মাধ্যম বিশেষজ্ঞ ডাঃ অচ্যুত গগৈয়ে আলোকপাত কৰে। জিলাখনৰ ৫ টা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ বিভিন্ন অঞ্চলত মেলেৰীয়া দিৱসৰ সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়।

বজালী জিলাত স্বাস্থ্য সজাগতা সমদলেৰে মেলেৰীয়া ৰোগৰ প্ৰতিৰোধ সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। জিলাখনৰ নিত্যানন্দ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত ছহিদ অখ্যেন্দ্ৰ উচ্চ মাধ্যমিক বিদ্যালয়ত আজি এই দিৱস পালন কৰা হয়। এই উপলক্ষে আয়োজিত সভাত বজালী জিলাৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান মেলেৰীয়া বিভাগ, নিত্যানন্দ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়া কৰ্মচাৰীসকলৰ লগতে ভালেসংখ্যক সচেতন নাগৰিকে অংশগ্ৰহণ কৰে।

পশ্চিম কাৰ্বি আংলং জিলাৰ বিভিন্ন অঞ্চলত মেলেৰীয়া দিৱস উপলক্ষে কেইবাটাও সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰা হয়। দংকামকাম খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত কুম্বপথাৰ আৰু উম্পানাই খণ্ড প্ৰাথমিক স্বাস্থ্য খণ্ডৰ অন্তৰ্গত থাৰ্ভে লাংছ'ত দিনযোৰা কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়।

বঙাইগাওঁ জিলাতো আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহত বিশ্ব মেলেৰীয়া দিৱস পালন কৰা হয়। এই উপলক্ষে কতাশবাৰী আৰোগ্য মন্দিৰত এখন সজাগতা সভা অনুষ্ঠিত হয়।

এইবাৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে-**আমি মেলেৰীয়া নিৰ্মূল কৰিব পাৰো-পুনৰ সঠিক পৰিকল্পনা আৰু সক্ৰিয়তাৰে মেলেৰীয়া নিৰ্মূলৰ হকে যুঁজ দিও আঁহক।**

০০০০

বিদ্যায়তনিক দিশৰ উৎকৰ্ষ সাধনৰ অৰ্থে আজি বজালী জিলা অধিবিদ্যা পৰিষদৰ সহযোগত পাঠশালা চিনিয়ৰ চেকেণ্ডাৰী স্কুলত দিনযোৰা কাৰ্যসূচীৰে এখন সভা অনুষ্ঠিত হয়। সভাত বিদ্যালয়সমূহৰ পৰিদৰ্শক বিতুপন হাজৰিকাই বিদ্যালয়ৰ প্ৰধানসকলৰ সৈতে এই সংক্ৰান্তীয় বিভিন্ন দিশ সন্দৰ্ভত মত বিনিময় কৰে। বিশেষকৈ গুণোৎসৱ আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল সন্তোষজনক নোহোৱা বিদ্যালয়সমূহৰ ফলাফল

ভৱিষ্যতে কেনেদৰে উন্নত কৰিব পাৰি সেই সম্পৰ্কে পৰামৰ্শ প্ৰদান কৰে। তদুপৰি পৰিদৰ্শকগৰাকীয়ে শিক্ষা সেঁতুত শিক্ষক শিক্ষাৰ্থীৰ এশ শতাংশ উপস্থিতি নিশ্চিত কৰা, শিক্ষাৰ্থীসকলৰ পঠন, লিখন আৰু সাংখিক দক্ষতা উন্নত কৰা, নিয়মিতভাৱে অভিভাৱক সন্মিলন অনুষ্ঠিত কৰা আদি বিভিন্ন ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি পৰামৰ্শ দিয়ে। বিদ্যালয়সমূহত শিক্ষাৰ্থী অনুপাতে শিক্ষকৰ অভাৱ পূৰণ কৰাৰ বাবে তেওঁ আশ্বাস দিয়ে। সভাত বজালী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া উপস্থিত থাকি বিদ্যালয়সমূহৰ শৈক্ষিক পৰিবেশ উন্নত কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ নিশ্চিতি দিয়ে। বজালী জিলা অধিবিদ্যা পৰিষদৰ সভাপতিও সভাত অংশগ্ৰহণ কৰি সংশ্লিষ্ট সকলোকে নিজৰ বিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ উন্নত কৰাৰ বাবে আহ্বান জনায়।

oooo

নৰৱে'ৰ ৰাষ্ট্ৰদূত মে' এলিন ষ্টেনাৰ আৰু বিশ্ব খাদ্য কাৰ্যসূচীৰ প্ৰদেশ সঞ্চালক এলিজাবেথ ফওৱেৰ সৈতে এটা প্ৰতিনিধি দলে আজি নগাঁও জিলাত বিশ্ব খাদ্য কাৰ্যসূচীৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন কাৰ্যসূচী পৰিদৰ্শন কৰে। প্ৰতিনিধি দলটোক জিলা আয়ুক্ত কাৰ্যালয়ত আদৰণি জনোৱা হয়। তেওঁলোকে ৰাষ্ট্ৰসংঘৰ বিশ্ব খাদ্য কাৰ্যসূচী আৰু অসম কৃষি আৰু উদ্যান শস্য বিভাগৰ সহযোগত কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয় তথা নৰৱে' দূতাবাসৰ সমৰ্থনত কঠিয়াতলি গাঁও পঞ্চায়তৰ জুমুৰমুৰ গাঁৱত ৰূপায়ণ হৈ থকা প্ৰকল্পটো পৰিদৰ্শন কৰে। শ্ৰীমতী ষ্টেনাৰে এই প্ৰকল্পস্থলীতে সংহত কৃষি পদ্ধতি আৰু বাও ধান ৰোপনৰ আৰম্ভণিৰ এটা অনুষ্ঠানত অংশ লৈ কৃষি কাৰ্যত জড়িত মহিলাসকলৰ সৈতে মত বিনিময় কৰে।

oooo

বৰপেটা জিলা স্বাস্থ্য বিভাগে আজি ভূৱা বুলি অভিযোগ উত্থাপিত একাংশ দন্ত চিকিৎসকৰ বিৰুদ্ধে অভিযান চলায়। বৰপেটা চহৰৰ সমীপৰ সনকুছি কলনি, হাউলী আৰু গৰৈমাৰীৰ ৩ খন দোকানত অভিযানকাৰী দল উপস্থিত হয়। অৱশ্যে দোকান কেইখন বন্ধ অৱস্থাত দলটোৱে প্ৰত্যক্ষ কৰে। উল্লেখযোগ্য যে বৰপেটা জিলা দন্ত চিকিৎসক সন্থাই বহুসংখ্যক ভূৱা চিকিৎসকে দাতৰ চিকিৎসা কৰি থকাৰ অভিযোগ উত্থাপিত কৰিছিল। ২৭ গৰাকী ভূৱা চিকিৎসকৰ তালিকা প্ৰস্তুত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক আৰু যুটীয়া স্বাস্থ্য সঞ্চালকক বৰপেটা জিলা দন্ত চিকিৎসক সন্থাই স্মাৰকপত্ৰ প্ৰেৰণ কৰিছিল। ইয়াৰ ভিত্তিতেই আজি অভিযান চলোৱা হয়।

oooo

ৰাজ্য চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ সহযোগত আৰু ইণ্ডিয়ান ৰোডছ কংগ্ৰেছৰ উদ্যোগত আজিৰেপৰা দুদিনীয়াকৈ গুৱাহাটীত এখন ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে। এই আলোচনা চক্ৰত আই আই টিৰ অধ্যাপক, বিভিন্ন প্ৰতিষ্ঠানৰ প্ৰযুক্তিবিদসকলৰ লগতে পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়, ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড তথা বিভিন্ন ৰাজ্যৰ লোকনিৰ্মাণ বিভাগৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই আলোচনা চক্ৰত সেতু নিৰ্মাণৰ পৰিকল্পনা আৰু ব্যৱস্থাপনাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা উন্নত পদ্ধতি, আধুনিক প্ৰযুক্তি বিদ্যা তথা কৌশলৰ প্ৰয়োগ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে। অংশগ্ৰহণকাৰীসকলক দক্ষতা আৰু গুণগতমান বৃদ্ধিৰ বাবে উদ্ভাৱনীমূলক আৰু কম ব্যয়ৰ প্ৰযুক্তিৰ ব্যৱহাৰ, গৱেষণা, নতুন নীতি, উন্নত কৌশল প্ৰযুক্তি আদিৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে অৱগত কৰোৱা হ'ব।

oooo

কোনো এবিধ সামগ্ৰী ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হয়। যদিহে এই উৎপাদনকাৰী বা উদ্যোগীগৰাকী অসমৰ থলুৱা উদ্যোগী হয় তেনেহ'লে তেওঁ অধিক সংগ্ৰাম কৰিব লাগে। এনে কেইগৰাকীমান উদ্যোগীক লৈয়েই কাইলৈ আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসমৰ তিনিগৰাকী নতুন উদ্যমীয়ে তেওঁলোকৰ সফলতাৰ কাহিনী ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, ছান ৰাইজাৰ্ছ  হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০

ডিব্ৰুগড় জিলাৰ মৰাণ চহৰত পুৱা সংঘটিত অগ্নিকাণ্ডত তিনিখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান ভষ্মীভূত হোৱাৰ লগতে দুজন লোক আহত হয়। অগ্নিকাণ্ডত এখন হোটেল সম্পূৰ্ণৰূপে জুইত জাহ যায়। অগ্নি নিৰ্বাপক বাহিনীৰ ৮ খন বাহনৰ কেইবাঘণ্টা জোৰা প্ৰচেষ্টাৰ অন্তত জুই নুমুৱাবলৈ সক্ষম হয়।

০০০০

সমাপ্ত